# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-03-2025
**Time :** 1340 hrs

*Assamese Midday Bulletin*

# HEADLINES

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দেৰগাঁৱত ১৬৭ কোটি ৪০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা লাচিত বৰফুকন পুলিচ একাডেমী মুকলি কৰে।

২। আজি বিশ্ব উপভোক্তা অধিকাৰ দিৱস। প্ৰতি বছৰে ১৫ মাৰ্চত এই দিৱস উদযাপন কৰা হয়।

৩। যশস্বী শিক্ষাবিদ, কবি-সাহিত্যিক, গীতিকাৰ, সুৰকাৰ তথা কণ্ঠশিল্পী ড০ লক্ষ্যহীৰা দাসৰ আজি পুৱতি নিশা গুৱাহাটীৰ ৰাজগড়ৰ বাসভৱনত দেহাৱসান হয়।

৪। আন্তৰ্জাতিক মাষ্টাৰ্ছ লীগ, আই এম এল ক্ৰিকেট প্ৰতিযোগিতাত ৱেষ্ট ইণ্ডিজ মাষ্টাৰ্ছে কাইলৈ শচীন তেণ্ডুলকাৰ নেতৃত্বৰ ইণ্ডিয়া মাষ্টাৰ্ছৰ বিৰুদ্ধে ফাইনেল খেলিব।

*আৰু*

৫। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেটত আজি মুম্বাইৰ ব্ৰেবৰ্ণ ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত মুম্বাই ইণ্ডিয়ানছ ডেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দেৰগাঁৱত ১৬৭ কোটি ৪০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা লাচিত বৰফুকন পুলিচ একাডেমী মুকলি কৰে। তেওঁ লগতে ৪২৫ কোটি ৪৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া লাচিত বৰফুকন পুলিচ একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। শ্ৰীশ্বাহে দেৰগাঁৱত এখন বিশাল জনসভাতো ভাষণ দিয়ে। ভাষণত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে অহা পাঁচ বছৰত লাচিত বৰফুকন পুলিচ একাডেমী দেশৰ ভিতৰতে প্ৰথম স্থানৰ একাডেমী হিচাপে পৰিগণিত হ'ব। লাচিত বৰফুকনৰ দৰে জাতীয় বীৰৰ বিষয়ে ইমান দিনে সকলোৱে জনা নাছিল বুলি উল্লেখ কৰি তেওঁ কয় যে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এতিয়া লাচিত বৰফুকনক ৰাষ্ট্ৰীয় পৰ্যায়ত চিনাকি কৰি দিছে। লাচিত বৰফুকনৰ জীৱনী ২৩টা ভাষালৈ অনুবাদ হৈছে বুলি উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে দেশৰ সকলো পুথিভৰালত এতিয়া লাচিত বৰফুকনৰ জীৱনী গ্ৰন্থ আছে।

আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজিৰ দিনটোক অসম আৰক্ষীৰ বাবে সোণালী দিন বুলি অভিহিত কৰি কয় যে লাচিত বৰফুকন পুলিচ একাডেমীত এখন আৰক্ষী চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হ'ব আৰু ইয়াৰ জৰিয়তে আৰক্ষীৰ লগতে সাধাৰণ ৰাইজেও উপকৃত হ'ব।

গৃহমন্ত্ৰীগৰাকী আজি বিয়লি আইজললৈ যাত্ৰা কৰিব। তাত তেওঁ দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰ কৰা অনুষ্ঠানত ভাগ ল'ব। আছাম ৰাইফলছৰ ছাউনীটো

জোখ'ছাঙলৈ স্থানান্তৰ কৰাৰ মিজো লোকসকলৰ দীৰ্ঘদিনীয়া আশা পূৰণ কৰাত গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণ অতি গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক হ'ব বুলি বিবেচনা কৰা হৈছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কাইলৈ গুৱাহাটীলৈ উভতি আহিব আৰু কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে তেওঁ গুৱাহাটীৰ হোটেল ৰেডিশ্বন ব্লুত ভাৰতীয় ন্যায় সংহিতাৰ ৰূপায়ণ সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব।

ooooo

আজি বিশ্ব উপভোক্তা অধিকাৰ দিৱস। গ্ৰাহকসকলৰ অধিকাৰ আৰু ইয়াৰ সুৰক্ষা সুনিশ্চিত কৰা প্ৰয়োজনীয়তাক সোঁৱৰাই দিয়াৰ উদ্দেশ্যে প্ৰতি বছৰে ১৫ মাৰ্চত এই দিৱস উদযাপন কৰা হয়। এই দিৱসে সকলো গ্ৰাহকৰে প্ৰাথমিক অধিকাৰসমূহৰ বিষয়ে গুৰুত্ব আৰোপ কৰা তথা এই অধিকাৰসমূহক সন্মান আৰু সুৰক্ষিত কৰা কাৰ্যক উদগনি যোগোৱাৰ সুযোগ দিয়ে। ২০২৫ বৰ্ষৰ বিশ্ব গ্ৰাহক অধিকাৰ দিৱসৰ মূল বিষয়বস্তু হৈছে- **বহনক্ষম জীৱন শৈলীৰ বাবে ন্যায়সংগত পৰিৱৰ্তন**। কেন্দ্ৰীয় চৰকাৰে গ্ৰাহকসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে আৰু তেওঁলোকৰ ওজৰ আপত্তিসমূহ সোনকালে নিষ্পত্তি কৰাৰ বাবে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। গ্ৰাহক পৰিক্ৰমা মন্ত্ৰালয়ে জাগ' গ্ৰাহক জাগ' কাৰ্যসূচীৰ জৰিয়তে গ্ৰাহকসকলক সজাগ কৰাৰ উদ্দেশ্যে বিভিন্ন কাম-কাজ অব্যাহত ৰাখিছে। ৰাষ্ট্ৰীয় গ্ৰাহক হেল্পলাইনে গ্ৰাহকসকলৰ ওজৰ-আপত্তিসমূহ দ্ৰুততাৰে সমাধান কৰাৰ উদ্দেশ্যে এহেজাৰতকৈও অধিক কোম্পানীৰ সৈতে সহযোগিতাৰে কাম কৰি আছে। ই-বাণিজ্যৰ যোগেদি অসাধু বেহা বেপাৰৰ পৰা গ্ৰাহকসকলক সুৰক্ষিত কৰাৰ বাবেও গ্ৰাহক পৰিক্ৰমা মন্ত্ৰালয়ে ২০২০ চনত গ্ৰাহক সুৰক্ষা নীতি, ই-বাণিজ্য ২০২০ শীৰ্ষক নীতি-নিৰ্দেশনা জাৰি কৰে।

ooooo

ৰাজ্যৰ বিভিন্ন স্থানত আজিও পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে ফাকুৱা আৰু দৌল উৎসৱ উদযাপন কৰা হৈছে। বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে। ওড়িশাৰ পৰা হোলী গীতৰ দল, মণিপুৰী সাংস্কৃতিক দল, আদিবাসী সাংস্কৃতিক দলৰ লগতে বিভিন্ন স্থানীয় শিল্পীৰ গীত পৰিৱেশনেৰে সত্ৰ নগৰীখন প্ৰাণচঞ্চল হৈ উঠিছে। বৰপেটা সত্ৰত শ্ৰীশ্ৰী কৃষ্ণৰ দৌল মহোৎসৱত অংশ লোৱাৰ লগতে গোসাঁইক সেৱা জনাই আশীৰ্বদ ল'বলৈ বিভিন্ন প্ৰান্তৰ লোকৰ সমাগম ঘটিছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি বটদ্ৰৱা সত্ৰত পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা দৌল উৎসৱৰ আজি তৃতীয় দিনাও উখল-মাখল পৰিৱেশ বিৰাজ কৰিছে।

ooooo

কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি তামিলনাডুৰ শ্ৰীপেৰাম্বুদুৰৰ জেটৱৰ্ক ইলেকট্ৰনিক্সৰ নতুন চৌহদ মুকলি কৰিব আৰু আই আই টি মাদ্ৰাছৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ পৰ্য্যালোচনা কৰিব। শ্ৰী বৈষ্ণৱ আজি পুৱাই চেন্নাইত উপস্থিত হোৱাৰ লগতে পৰৱৰ্তী কাৰ্যসুচীৰ বাবে শ্ৰীপেৰাম্বুদুৰলৈ ৰাওনা হৈছে। তেওঁ থেয়ুৰলৈও যাব । তাত আজি হাইপাৰলুপ

ৰেল পৰিযোজনাৰ পৰীক্ষণ কৰা হ'ব। বিয়লি মন্ত্ৰী শ্ৰী বৈষ্ণৱ আডয়াৰৰ আই আই টি মাদ্ৰাছ চৌহদলৈ গৈ নৰচাৰ কেন্দ্ৰ পৰিদৰ্শন কৰিব। শ্ৰীবৈষ্ণৱে কেন্দ্ৰও এটা কম্পিউটাৰ কেন্দ্ৰও পৰিদৰ্শন কৰিব। এই কেন্দ্ৰটো ডিজিটেল ইণ্ডিয়া দৃষ্টিকোণৰ অনুৰূপ আৰু আই আই টি ভাৰতৰ চেমিকণ্ডাক্টৰ অভিযানৰ মুখ্য ভেঁটি।

০০০০০

বিশিষ্ট শিক্ষাবিদ, কবি-সাহিত্যিক, গীতিকাৰ, সুৰকাৰ তথা কণ্ঠশিল্পী ড০ লক্ষ্যহীৰা দাসৰ আজি পুৱতি নিশা হৃদৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ ৰাজগড়ৰ বাসভৱনত দেহাৱসান হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৪ বছৰ। আমাৰ পূৰ্বৰ বাতৰিতে কোৱা হৈছে যে ১৯৩১ চনৰ ১৩ ফেব্ৰুৱাৰীত জন্মগ্ৰহণ কৰা ড০ লক্ষ্যহীৰা দাসক ১৯৯৫ চনত ৰাজ্য চৰকাৰৰ **শিল্পী পেন্সন** আৰু ২০০৩ চনত **শিল্পী বঁটা** প্ৰদান কৰা হৈছিল। ড০ দাসে ২০২২ চনত সংগীত নাটক একাডেমী বঁটা লাভ কৰিছিল। তেওঁ ১৯৫৯ চনত কটন মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰিছিল আৰু পিছলৈ ১৯৭৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগত অধ্যাপিকা হিচাপে যোগদান কৰিছিল। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ গীতিকাৰ, সুৰকাৰ তথা কণ্ঠশিল্পী হিচাপে স্বীকৃতিপ্ৰাপ্ত ড০ লক্ষ্যহীৰা দাসে কেইবাটাও গীতত কণ্ঠদান কৰাৰ উপৰি আন বহুতো গীতৰ ৰচনা তথা সুৰ সংযোজন কৰি থৈ গৈছে। শিল্পীগৰাকীৰ নশ্বৰ দেহ আকাশবাণী গুৱাহাটী কেন্দ্ৰলৈ অনা হয়। ইয়াত, কেন্দ্ৰটোৰ বিষয়া-কৰ্মচাৰীসকলে শিল্পীগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। আজি তেওঁৰ শেষকৃত্য গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত সম্পন্ন কৰা হ'ব।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ইউক্ৰেইনৰ যুদ্ধবিৰতি সন্দৰ্ভত আমেৰিকাই আগবঢ়োৱা প্ৰস্তাৱক লৈ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে তেওঁৰ আলোচনা ফলপ্ৰসূ হোৱা বুলি দাবী কৰিছে। ৰাষ্ট্ৰপতি পুটিন বৃহস্পতিবাৰে সন্ধিয়া আমেৰিকাৰ দূত ষ্টীভ উইটক'ফৰ সৈতে বৈঠকত বহাৰ পাছতে ৰাষ্ট্ৰপতি ট্ৰাম্পে এইদৰে কয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ডনাল্ড ট্ৰাম্পে আশা প্ৰকাশ কৰে যে এখন ভয়াবহ আৰু ৰক্তাক্ত যুদ্ধৰ অন্ত পেলাবৰ বাবে এয়া এটা সুন্দৰ সুযোগ হ'ব। অৱশ্যে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে অভিযোগ কৰে যে ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনে শান্তি আলোচনাৰ উদ্যোগক বাধাগ্ৰস্ত কৰি যুদ্ধ অব্যাহত ৰাখিব খুজিছে। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰমাৰে কয় যে যুদ্ধবিৰতিৰ প্ৰস্তাৱক লৈ খেল খেলিবলৈ ৰাছিয়াৰ ৰাষ্ট্ৰপতিক অনুমতি দিয়া নহ'ব। চলিত সপ্তাহৰ আৰম্ভণিতে ডনাল্ড ট্ৰাম্পে যুদ্ধবিৰতি প্ৰস্তাৱত ইউক্ৰেইনে সন্মতি জনোৱাৰ বিপৰীতে ৰাছিয়াই এতিয়াও প্ৰস্তাৱটো গ্ৰহণ কৰা নাই।

০০০০০

আন্তৰ্জাতিক মাষ্টাৰ্ছ লীগ, আই এম এল ক্ৰিকেট প্ৰতিযোগিতাত ৱেষ্ট ইণ্ডিজ মাষ্টাৰ্ছে কাইলৈ শচীন তেণ্ডুলকাৰ নেতৃত্বৰ ইণ্ডিয়া মাষ্টাৰ্ছৰ বিৰুদ্ধে ফাইনেল খেলিব। খেলখন ৰায়পুৰত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। যোৱা নিশা ৰায়পুৰত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত ৱেষ্ট ইণ্ডিজ মাষ্টাৰ্ছ দলে শ্ৰীলংকা মাষ্টাৰ্ছক ৬ ৰাণত পৰাজিত কৰে। প্ৰথমে বেট ধৰি ৱেষ্ট ইণ্ডিজ মাষ্টাৰ্ছে নিৰ্ধাৰিত ২০ অভাৰত পাঁচটা উইকেট হেৰুৱাই ১৭৯ ৰাণ সংগ্ৰহ কৰে। দলটোক নেতৃত্ব দিয়া উইকেট কীপাৰ তথা বেটছমেন দিনেশ ৰামদিনে মাত্ৰ ২২টা বলতে অপৰাজিত অৰ্ধশতৰাণ অৰ্জন কৰে। ব্ৰায়ান লাৰাই ৪১ ৰাণৰ বৰঙণি

আগবঢ়ায়। ইয়াৰ প্ৰত্যুত্তৰত শ্ৰীলংকা মাষ্টাৰ্ছে ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৭১ ৰাণহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ একমাত্ৰ ভাল প্ৰদৰ্শন কৰা এছেলা গুণৰত্নেই ৪২টা বলত ৬৬ ৰাণ কৰে।

০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেটত আজি মুম্বাইৰ ব্ৰেবৰ্ণ ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত মুম্বাই ইণ্ডিয়ানছ, ডেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। মেগ লেনিং নেতৃত্বৰ ডেলহি কেপিটেলছে প্ৰতিযোগিতাৰ ৮ খন খেলৰ ৫ খনত জয় লাভ কৰি লীগ পৰ্যায়ত শক্তিশালী প্ৰদৰ্শন আগবঢ়ায়। ডেলহি কেপিটেলছে তৃতীয়বাৰৰ বাবে একেৰাহে ফাইনেলত প্ৰৱেশ কৰিছে যদিও দলটোৱে এতিয়ালৈকে মহিলা প্ৰিমিয়াৰ লীগৰ খিতাপ অৰ্জন কৰিবলৈ সমৰ্থ হোৱা নাই।

০০০০০

**সমাপ্ত**